**অসম সাহিত্য সভা**
প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা
সংস্থান, যোৰহাট, অসম - ৭৮৫০০১

**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**
অসমীয়া বিভাগ
ডাকঘৰ ঃ খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

# বুজাবুজিৰ চুক্তি

## (Memorandum of Understanding)

এই বুজাবুজিৰ চুক্তি অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান আৰু নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগৰ মাজত সম্পন্ন কৰা হৈছে।

**বিৱৰণ**

অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান আৰু নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগ নিম্নলিখিত বিৱৰণ অনুসৰি কাম কৰিবলৈ চুক্তিৱদ্ধ হয়—

**১.০০ বুজাবুজিৰ চুক্তি সম্পন্ন কৰাৰ কাৰণ ঃ**

১.০১ দুয়ো পক্ষৰ মাজত গৱেষণামূলক কাম কাজৰ বিনিময় কৰিব পাৰিব।

১.০২ এটা পক্ষই গৱেষণামূলক কামৰ উদ্যোগ ল'লে আনটো পক্ষই সহযোগ কৰিব পাৰিব।

১.০৩ দুয়োটা পক্ষই যুটীয়াকৈ গ্ৰন্থ প্ৰকাশ, আলোচনা-সত্ৰৰ আয়োজন আদি কাম কৰিব পাৰিব।

**২.০০ ম্যাদ ঃ**

২.০১ এই চুক্তিৰ সময়সীমা এপ্ৰিল, ২০২২ৰপৰা মাৰ্চ, ২০২৫লৈ তিনি বছৰৰ বাবে বাহাল থাকিব।

২.০২ দুয়ো পক্ষৰ সন্মতি সাপেক্ষে ম্যাদ বৃদ্ধি কৰিব পাৰিব।

**৩.০০ বৈঠক আৰু সিদ্ধান্ত ঃ**

৩.০১ যিকোনো কাৰ্যসূচী ৰূপায়নৰ বাবে দুয়োপক্ষৰ যুটীয়া বৈঠক অনুষ্ঠিত হ'ব।

৩.০২ জৰুৰী সময়ত চুক্তিত স্বাক্ষৰকাৰীসকলে কোনো কাৰ্যসূচীৰ বাবে সিদ্ধান্ত ল'ব পাৰিব। পৰৱৰ্তী বৈঠকত বিষয়টো অনুমোদন কৰাব লাগিব। সকলো কাৰ্যৰ তথ্য সংৰক্ষণৰ বাবে এখন কাৰ্যবিৱৰণী লিখা হ'ব।

**৪.০০ আৰ্থিক প্ৰসঙ্গ ঃ**

৪.০১ আৰ্থিক খৰছৰ প্ৰয়োজন থকা কাৰ্যসূচীৰ বাবে চৰকাৰী বা বেচৰকাৰী সংস্থাৰপৰা পৃষ্ঠপোষকতা বিচৰাৰ সুবিধা থাকিব।

৪.০২ দুয়োপক্ষৰ পুঁজি ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

৪.০৩ যিকোনো এটা পক্ষৰ পুঁজিৰ ব্যৱহাৰেৰেও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

**৫.০০ চুক্তিভঙ্গ ঃ**

৫.০১ কোনো এটা পক্ষই আনটো পক্ষৰ কাম-কাজত অসন্তুষ্ট হ'লে অভিযোগ উত্থাপন কৰিব পাৰিব। অভিযোগ গ্ৰহণৰ কৰ্তৃত্ব কেৱল স্বাক্ষৰকাৰী পদবীধাৰী সকলৰহে থাকিব। অভিযোগ নিষ্পত্তি নহ'লে ম্যাদ সম্পূৰ্ণ নোহোৱাকৈ চুক্তি ভঙ্গ কৰিব পাৰে।

৫.০২ আন যিকোনো জৰুৰী কাৰণত চুক্তি ভঙ্গ হ'ব পাৰে। তাৰ বাবে যুটীয়া বৈঠক অনুষ্ঠিত হ'ব লাগিব।

**৬.০০ আইনগত দিশ ঃ**

৬.০১ দুয়োপক্ষই যিকোনো আইনগত কাম অসমৰ যিকোনো ন্যায়ালয়ত সম্পন্ন কৰিব।

**৭.০০ যোগাযোগৰ ঠিকনা ঃ**

যিকোনো যোগাযোগ তলৰ ঠিকনা দুটাত সম্পন্ন হ'ব —

প্ৰতি ঃ প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, অসম - ৭৮৫০০১

প্ৰতি ঃ অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১

**৮.০০ ব্যক্তি, যাৰ লগত যোগাযোগ কৰিব ঃ**

অসম সাহিত্য সভা ঃ যাদৱ চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
ডাকঘৰ- যোৰহাট, অসম - ৭৮৫০০১, ফোন ঃ +৯১-৭০০২০-৩০১৩৪,
ইমেইল ঃ asam.sahitya.sabha@gmail.com

........................................................

নৰ্থ লখিমপুৰ কলেজ ঃ ড° অৰবিন্দ ৰাজখোৱা, সহকাৰী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত),
ডাকঘৰ- খেলমাটি, লখিমপুৰ, অসম - ৭৮৭০৩১, ফোন ঃ +৯১-৯৪৩৫১-৮৯১৭৪,
ইমেইল arabindarajkhowa2011@gmail.com

**স্বাক্ষৰ—**

অসম সাহিত্য সভাৰ হৈ—
(ক) যাদৱ চন্দ্ৰ শৰ্মা, প্ৰধান সম্পাদক

প্ৰধান সম্পাদক
অসম সাহিত্য সভা

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ; ১১-০৪-২০২২

(খ) ড° ৰাজশ্ৰী হাজৰিকা, সমন্বয়ক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান

ৰাজশ্ৰী হাজৰিকা

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ১১-০৪-২০২২

নৰ্থ লখিমপুৰ কলেজৰ হৈ—
(ক) ড° বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ১১-০৪-২০২২

Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)

(খ) ড° অৰবিন্দ ৰাজখোৱা, মুৰব্বী, অসমীয়া বিভাগ

স্বাক্ষৰ
ঠাই আৰু তাৰিখ ঃ লখিমপুৰ, ১১-০৪-২০২২

HoD. Dept. of Assamese
North Lakhimpur College
(Autonomous)